NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে, চৰকাৰে কোভিডৰ পাছৰে পৰা মূলধনী ব্যায় শিতানত অধিক ধন ব্যয় কৰি আহিছে।

২। ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ যুটীয়া সংসদীয় কমিটিলৈ প্ৰেৰণ কৰা হৈছে।

৩। বাংলাদেশত নবেল বঁটা প্ৰাপক প্ৰফেচাৰ মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তৰৰ্তীকালীন চৰকাৰখনে আজি নিশা শপতগ্ৰহণ কৰিব।

৪। পেৰিছ্‌ অলিম্পিকৰ পৰা ভাৰতীয় মল্লযুঁজাৰু ৱিনেশ ফোগটক অযোগ্য ঘোষণা কৰা বিষয়টোৰ প্ৰতিবাদ কৰি আজি ৰাজ্যসভাৰ বিৰোধী দলৰ সদস্যসকলে সদন ত্যাগ কৰে।

*আৰু*

৫। ভাৰতীয় পুৰুষ হকী দলে পেৰিছ্‌ অলিম্পিকত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে।

০০০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে, চৰকাৰে কোভিডৰ পাছৰে পৰা মূলধনী ব্যায় শিতানত অধিক ধন ব্যয় কৰি আহিছে। তেওঁ কয় যে, ফলপ্ৰসূ মূলধনী ব্যায় ২০২৩-২৪ বৰ্ষৰ তুলনাত ১৮ শতাংশ অধিক বুলি ক'ব পৰা যায়। ৰাজ্যসভাত আজি বিত্ত বিধেয়ক, বিনিয়োজন বিধেয়ক আৰু জম্মু-কাশ্মীৰ বিনিয়োজন বিধেয়ক সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰ দি শ্ৰীমতী সীতাৰমনে এইদৰে প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে আলোচনাৰ পাতনি মেলি কংগ্ৰেছ সাংসদ বিবেক তন্‌খাই দেশৰ মহিলাসকলৰ বাবে কৰৰ বিশেষ স্তৰৰ ব্যৱস্থা নাই বুলি মন্তব্য কৰে। তেওঁ মহিলা উদ্যামীসকলৰ বাবে সুকীয়া কাৰ্য চৌহদৰ দাবী জনায়। বিজেপিৰ ৰমিলাবেন বাৰাই আলোচনাত ভাগ লৈ এইবাৰৰ বাজেটখনক দুখীয়া, গ্ৰামাঞ্চলৰ জনসাধাৰণ, যুব প্ৰজন্ম আৰু মহিলাৰ বাজেট আখ্যা দিয়ে। তেওঁ কয় যে বিত্ত মন্ত্ৰীগৰাকীয়ে বিধেয়কখনত মহিলাৰ উপকাৰৰ অৰ্থে বিভিন্ন ব্যৱস্থাৰ প্ৰস্তাব দিছে। তৃণমূল কংগ্ৰেছৰ সাংসদ দোলা সেনে জীৱন বীমা আৰু স্বাস্থ্য বীমাৰ ওপৰত আৰোপিত ১৮ শতাংশৰ সামগ্ৰি আৰু সেৱা কৰ প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়। একেদৰে ৱাই এছ্‌ আৰ চি পিৰ সাংসদ ভি বিজয়ছাই ৰেড্ডীয়ে বিত্তমন্ত্ৰীক বিভিন্ন আঁচনিৰ অধীনত সকলো ছেভিং একাউণ্টক জিৰ' বেলেন্স একাউণ্টলৈ পৰিৱৰ্তন কৰিবলৈ অনুৰোধ জনায়। আম আদমী পাৰ্টীৰ সঞ্জয় সিং, বি জে ডিৰ দেৱাশিষ ছামন্তৰে আৰু ডি এম কেৰ কানীমোড়ি এন ভি এন ছমুৰে আলোচনাত অংশগ্ৰহণ কৰে।

০০০০০০০০

ৱাক্ফ সংশোধনী বিধেয়ক ২০২৪ যুটীয়া সংসদীয় কমিটিলৈ প্ৰেৰণ কৰা হৈছে। সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে আজি লোকসভাত বিধেয়কখন উত্থাপন কৰি কয় যে, চৰকাৰ বিধেয়কখন ‍পুংখানুপুখভাৱে চালি-জাৰি চাবলৈ সাজু। তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰৰ অভিপ্ৰায় সুস্পষ্ট আৰু ইয়াৰ বিধেয়কখনক লৈ লুকাবলগীয়া একোৱেই নাই।

ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে ধৰ্মীয় নিকায়সমূহৰ কাম-কাজত হস্তক্ষেপ কৰাটো বিধেয়কখনৰ অভিপ্ৰাণ নহয় আৰু মুছলমান সম্প্ৰদায়ৰ অনগ্ৰসৰ আৰু দুখীয়া শ্ৰেণীসমূহক ন্যায় প্ৰদান কৰাই বিধেয়কখনৰ উদ্দেশ্য বুলি স্পষ্ট কৰি দিয়ে। চৰকাৰৰ এনে ধৰণৰ বিধেয়ক অনাৰ অধিকাৰ নাই বুলি বিৰোধী পক্ষই উত্থাপন কৰা দাবীক লৈ প্ৰশ্ন উত্থাপন কৰি শ্ৰী ৰিজিজুৱে কয় যে, বিষয়টো সংবিধানৰ সমৱৰ্তী সূচীৰ অন্তৰ্ভুক্ত আৰু কেন্দ্ৰীয় চৰকাৰ এই সন্দৰ্ভত আইন প্ৰণয়ন কৰিবলৈ সম্পূৰ্ণৰূপে সক্ষম। তেওঁ কয় যে, সচ্চৰ কমিটি আৰু পূৰ্বৰ চৰকাৰসমূহ গঠন কৰা বিভিন্ন কমিটিৰ পৰামৰ্শ অনুযায়ী এই বিধেয়কখন উত্থাপন কৰা হৈছে। তেওঁ কয় যে, ৱাক্ফ বৰ্ডৰ কাম-কাজৰ অলেখ বিসংগতি আছে আৰু একাংশ লোকে এই বোৰ্ডসমূহ দখল কৰি আছে। এই বিধেয়কখন অধিক স্বচ্ছতা অনাৰ লগতে মুছলমান মহিলা তথা মুছলমান সম্প্ৰদায়ৰ মাজৰ অন্যান্য পিছপৰা শ্ৰেণীসমূহক উচিত প্ৰতিনিধিত্ব প্ৰদানৰ উদ্দেশ্যে উত্থাপন কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰী ৰিজিজুৱে কয় যে, ৱাক্ফ বৰ্ডৰ সৈতে জড়িত প্ৰায় ১২ হাজাৰ গোচৰ বিচাৰাধীন হৈ আছে আৰু বিধেয়কখনত ছমাহৰ ভিতৰত এনেধৰণৰ গোচৰ নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। তেওঁ লগতে ৱাক্ফ বৰ্ডৰ সা-সম্পত্তি বেদখল সন্দৰ্ভত এবছৰৰ ভিতৰত প্ৰায় ২০০ টা অভিযোগ লাভ কৰা বুলি জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট পক্ষসমূহৰ সৈতে আলাপ-আলোচনা নকৰাকৈ বিধেয়কখন উত্থাপন কৰা বুলি বিৰোধী পক্ষই উত্থাপন কৰা অভিযোগ খণ্ডন কৰে। বিধেয়কখন প্ৰস্তুত কৰাৰ পূৰ্বে বিভিন্ন পক্ষৰ সৈতে বিস্তৃতভাৱে আলোচনা কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বিধেয়কখনৰ বিভিন্ন ব্যৱস্থাৰ ওপৰত আলোকপাত কৰি শ্ৰী ৰিজিজুৱে কয় যে, ৱাক্ফ বৰ্ড ন্যায়াধীকৰণৰ এগৰাকী ন্যায়িক আৰু এগৰাকী কাৰিকৰী সদস্য থাকিব। ইয়াৰ পূৰ্বে বিধেয়কখন উত্থাপনৰ বিৰোধিতা কৰি কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, সমাজবাদী পাৰ্টি, ডি এম কে, এন চি পিৰ শাৰদ পাৱাৰ গোট, বাওদল আৰু অন্যান্য দলৰ সাংসদসকলে ইয়াক সংবিধান আৰু ধৰ্মীয় স্বাধীনতাৰ পৰিপন্থি বুলি অভিহিত কৰে। কংগ্ৰেছ সাংসদ কে চি বেণুগোপালে ইয়াক দেশৰ যুক্তৰাষ্ট্ৰীয় পৰিকাঠামোৰ ওপৰত হোৱা আক্ৰমণ আখ্যা দিয়ে। তেওঁ কয় যে, বিধেয়কখনত ৱাক্ফ  বৰ্ডৰ পৰিচালনা সমিতিত অনা-মুছলমানক অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা আছে আৰু এই ব্যৱস্থাই ধৰ্মীয় আস্থাত আঘাত হানিব। বিধেয়কখন মহাৰাষ্ট্ৰ আৰু হাৰিয়ানাৰ আসন্ন বিধানসভাৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি উত্থাপন কৰা হৈছে বুলিও তেওঁ অভিযোগ তোলে। সমাজবাদী পাৰ্টীৰ সাংসদ অখিলেশ যাদৱে ৱাক্ফ বৰ্ডত অন্য ধৰ্মীক সম্প্ৰদায়ৰ লোকক সদস্য হিচাপে মনোনীত কৰাৰ ব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন কৰে। তৃণমূল কংগ্ৰেছৰ সুদীপ বন্দোপাধ্যায়ে আলোচনাত ভাগ লৈ বিধেয়কখনক অ-সাংবিধানিক আৰু যুক্তৰাষ্ট্ৰীয় পৰিকাঠামোৰ পৰিপন্থি বুলি অভিহিত কৰে। ডি এম কে সাংসদ কানীমোড়ি কৰুণানিধিয়েও বিধেয়খনৰ বিৰোধিতা কৰে। চৰকাৰে সাংবিধান, যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা আৰু সংখ্যালঘূসকলৰ বিৰুদ্ধে যোৱা বুলি অভিযোগ উত্থাপন কৰে। এন চি পিৰ সুপ্ৰীয়া ছুলেই বিধেয়কখন প্ৰত্যাহাৰ কৰিবলৈ অথবা চালি-জাৰি চোৱাৰ অৰ্থে স্থায়ী কমিটিলৈ প্ৰেৰণ কৰিবলৈ দাবী জনায়। চি পি আই এমৰ সাংসদ কে ৰাধাকৃষ্ণনেও বিধায়কখন স্থায়ী কমিতিলৈ প্ৰেৰণ কৰিবলৈ দাবী জনায়। বিধেয়কখনৰ বিৰোধীতা কৰি এ আই এম আই এমৰ আছাদুদ্দীন ওৱেচিয়ে বিধেয়খন

বৈষম্যমূলক বুলি অভিহিত কৰে। ১৯২৩ চনৰ মুছলমান ৱাক্ফ আইন প্ৰত্যাহাৰ কৰাৰ উদ্দেশ্যে মুছলমান ৱাক্ফ বাতিলকৰণ বিধেয়ক ২০২৪ উত্থাপন কৰা হৈছে।

০০০০০০০০

বাংলাদেশত নবেল বঁটা প্ৰাপক প্ৰফেচাৰ মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তৰ্বৰ্তীকালীন চৰকাৰখনে আজি নিশা শপতগ্ৰহণ কৰিব। কালি এখন সংবাদ মেলত দেশখনৰ সেনাপ্ৰধান ৱাকাৰ-উজ-জামানে এই কথা সদৰি কৰে। তেওঁ দেশখনৰ পৰিস্থিতি অহা তিনি-চাৰি দিনৰ ভিতৰত স্বাভাৱিক হ'ব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ কয় যে বিগত কিছুদিনত সংঘটিত অপৰাধমূলক ঘটনাসমূহৰ সৈতে জড়িত থকা লোকসকলক সাৰি যাবলৈ দিয়া নহ'ব আৰু সেইসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০০০০

পেৰিছ্ অলিম্পিকৰ পৰা ভাৰতীয় মল্লযুঁজাৰু ৱিনেশ ফোগটক অযোগ্য ঘোষণা কৰা বিষয়টোৰ প্ৰতিবাদ কৰি আজি ৰাজ্যসভাৰ বিৰোধী দলৰ সদস্যসকলে সদন ত্যাগ কৰে। বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেই আজি পুৱা সদনৰ আৰম্ভণিতে বিষয়টো উত্থাপন কৰিবলৈ চেষ্টা কৰিছিল যদিও তেওঁক অনুমতি দিয়া নহ'ল। পাছত কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, ডি এম কে, আৰ জে ডি আৰু আন বিৰোধী দলৰ সদস্যসকলে সদন ত্যাগ কৰে। ৰাজ্যসভাৰ অধ্যক্ষ জগদীপ ধনখড়ে বিৰোধীৰ এনে আচৰণত আপত্তি দৰ্শাই তৃণমূল কংগ্ৰেছৰ সাংসদ ডেৰেক অ'ব্ৰায়নক গৰিহণা দিয়াৰ লগতে তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ সতৰ্কবাণী জাৰি কৰে। শ্ৰী ধনখড়ে কয় যে অলিম্পিকৰ দৰে এখন মঞ্চত পদক জয়ৰ পূৰ্ণ সম্ভাৱনা থকা ৱিনেশ ফোগট অযোগ্য ঘোষিত হোৱাত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি সমগ্ৰ দেশৰ লগতে তেওঁ নিজেও মনোকষ্ট পাইছে আৰু এই সময়ত ঘটনাটোৰ ৰাজনীতিকৰণে মল্লযুঁজাৰুগৰাকীৰ সন্মানত আঘাত দিব। তেওঁ কয় যে হাৰিয়ানা চৰকাৰে ইতিমধ্যে খেলুৱৈগৰাকীক বিজেতাৰ দৰে সকলোধৰণে সহযোগিতা আগবঢ়াব বুলি ঘোষণা কৰিছে। আনহাতে, জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডায়েও বিৰোধীৰ আচৰণক নিন্দা কৰে। তেওঁ অধ্যক্ষৰ প্ৰতি কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছৰ সদস্যসকলৰ আচৰণৰ বিৰোধিতা কৰি কয় যে সমগ্ৰ দেশ এই মুহূৰ্তত ৱিনেশ ফোগটৰ লগত আছে আৰু বিৰোধীয়ে চৰকাৰৰ বিপক্ষে মাত মাতিবলৈ আন বিষয় নথকাত এই বিষয়টোকে বাছি লৈছে বুলিও জে পি নাড্ডাই অভিযোগ উত্থাপন কৰে।

০০০০০০০০

সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ নাতিনী ঈৰা ঘোচৰ স্বাস্থ্যৰ বুজ লয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে মন্ত্ৰীগৰাকীয়ে কলকাতাৰ বালিগঞ্জৰ এটা এপাৰ্টমেণ্টত বাস কৰা ঈৰা ঘোচৰ বাসগৃহত উপস্থিত হয় আৰু কিছুদিন ধৰি অসুস্থ হৈ থকা ৰসৰাজৰ দ্বিতীয় কন্যা ৰত্না বৰুৱাৰ জীয়ৰীগৰাকীৰ স্বাস্থ্যৰ বুজ লয়।

০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈৰ পৰা ১৫ আগষ্টলৈ **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশ হিচাপে দেশৰ জনসাধাৰণক নিজৰ বাসগৃহত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে। প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৰ্ব

আৰু স্বাভিমানৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি একোখন ছেল্ফি **হৰ ঘৰ তিৰংগা** ৱেবছাইটত আপলোড কৰিবলৈও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই অভিযানে বিগত দুবছৰ ধৰি ৰাষ্ট্ৰীয় আন্দোলন হিচাপে গঢ় লৈ উঠিছে।

০০০০০০০০

ভাৰতীয় পুৰুষ হকী দলে পেৰিছ্ অলিম্পিকত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। ভাৰতে আজি ব্ৰঞ্জৰ পদকৰ যুঁজত স্পেইনক ২-১ গলত পৰাস্ত কৰে।

ইপিনে পেৰিছ্ অলিম্পিকৰ মল্লযুদ্ধত বৰ্তি থকা একমাত্ৰ ভাৰতীয় পুৰুষ মল্লযোদ্ধা অমন শ্বেহৰাৱাটে ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানৰ  ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে আজি কোৱাৰ্টাৰ ফাইনেলত আলবেনিয়াৰ প্ৰতিদ্বন্দ্বীক ১২-০ ফলাফলত পৰাস্ত কৰে। খেলুৱৈগৰাকী আজি নিশা প্ৰায় ৯ বাজি ৪৫ মিনিটত ছেমিফাইনেলত জাপানৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে জেভলিন থ্ৰ'ৰত যোৱাবাৰৰ অলিম্পিক চেম্পিয়ন নীৰজ চোপ্ৰাই আজি নিশা প্ৰায় ১১ বাজি ৪৫ মিনিটত খিতাপ ৰক্ষাৰ যুঁজত অৱতীৰ্ণ হ'ব।

০০০০০০০০

সমাপ্ত